*Total number of pages–16*

**Subject Code : 01**

**B16–AS**

**2016**

# ASSAMESE

( MODERN INDIAN LANGUAGE )

| | |
|---|---|
| *Full Marks :* | *100* |
| *Pass Marks :* | *30* |

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

পৰীক্ষাৰ্থীয়ে একেখন বহীত **GROUP-A** (ক-বিভাগ) আৰু **GROUP-B** (খ-বিভাগ)-ৰ উত্তৰ কৰিব লাগিব।

অথবা

**GROUP-A** (ক-বিভাগ) আৰু **GROUP-C** (গ-বিভাগ)-ৰ উত্তৰ একেখন বহীত কৰিব লাগিব।

Contd.

## Group – A (ক - বিভাগ)

মূল্যাংক : ৭৫

১। অতি চমুকৈ উত্তৰ লিখা : *(যিকোনো দুটা)* ১×২=২

(ক) মুনিকন্যা শকুন্তলাৰ লগৰী দুগৰাকীৰ নাম কি কি?

(খ) মানুহৰ বিয়াৰ দিনটোক কি বুলি ভবা হয়?

(গ) 'Growth of the Asamiya Language' গ্ৰন্থৰ ৰচক কোন?

২। অতি চমুকৈ উত্তৰ লিখা : ১×২=২

(ক) *(i)* 'ফ্ৰম ভল্‌গা টু গংগা' কাৰ ৰচনা?

*(ii)* ভূকেন্দ্ৰিক বিশ্বধাৰণাৰ প্ৰধান প্ৰবক্তা কোন?

*নাইবা*

(খ) *(i)* বৌদ্ধ ধৰ্মৰ মূলমন্ত্ৰ কি?

*(ii)* ইৰাণৰ ৰাজধানীৰ নাম কি?

৩। চমু উত্তৰ লিখা : *(যিকোনো দুটা)* ২×২=৪

(ক) আশ্ৰমত শকুন্তলাই কি কি দেখিছিল?

(খ) ছাৰক খুৱাবলৈ পবিনৰ দেউতাকে মনে মনে কি ব্যৱস্থা কৰিছিল?

(গ) ছাত্ৰসকলে কাৰ্যকৰী শিক্ষা ক'ৰ পৰা কিদৰে লাভ কৰিব পাৰে?

৪। চমু উত্তৰ লিখা : ২

(ক) লিখকে ভাৰত বুৰঞ্জীক কিয় ৰাজ্যৰ উত্থান-পতন, ভঙা-গঢ়াৰ বুৰঞ্জী বুলি কৈছে?

*নাইবা*

(খ) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি?

৫। চমু উত্তৰ লিখা : *(যিকোনো তিনিটা)* ২×৩=৬

(ক) নিউটনীয় বিজ্ঞান চৰ্চাৰ প্ৰভাৱ দৰ্শন, সাহিত্য, ৰাষ্ট্ৰনীতি, অৰ্থনীতি আৰু বিজ্ঞানৰ অন্যান্য শাখাত কেনেদৰে পৰিছে লিখা।

(খ) নিউটনৰ 'প্ৰিন্‌চিপিয়া' গ্ৰন্থৰ বিষয়ে চমুকৈ লিখা।

(গ) ইৰাণীসকলৰ নৱবৰ্ষ উৎসৱৰ চমু বিৱৰণ দিয়া।

(ঘ) শ্বিৰীণ ইবাডিৰ *এটি* চমু পৰিচয় দিয়া।

৬। তলৰ *যিকোনো এটি* প্ৰশ্নৰ উত্তৰ লিখা : ৪

(ক) 'কালিদাসৰ প্ৰতিভাই আমাক আৰু এটি গভীৰ সত্য উপলব্ধি কৰিবলৈ সুযোগ দিলে।' কালিদাসৰ প্ৰতিভাই আমাক কি গভীৰ সত্য উপলব্ধি কৰিবলৈ সুযোগ দিলে বৰ্ণনা কৰা।

(খ) 'গাঁও একাধাৰে নগৰৰ জনক-জননী' — লিখকে গাঁৱক কিয় নগৰৰ জনক-জননী বুলি কৈছে, বুজাই লিখা।

৭। তলৰ *যিকোনো এটি* প্ৰশ্নৰ উত্তৰ লিখা :

(ক) 'ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু' — কথাষাৰৰ তাৎপৰ্য বুজাই লিখা।

(খ) 'বৃটিছ আহিল — চাহ উদ্যোগ প্ৰতিষ্ঠা হ'ল' — লিখকে চাহ উদ্যোগ প্ৰতিষ্ঠা হোৱাৰ লগত আমাৰ দেশৰ কি পৰিবৰ্তন লক্ষ্য কৰিছে বুজাই লিখা।

৮। অতি চমুকৈ উত্তৰ লিখা : *(যিকোনো এটা)* ১

(ক) তোমাৰ পাঠ্যপুথিৰ অন্তৰ্গত বৰগীতটিত কবিয়ে 'বান্ধৱ' বুলি কাক সম্বোধন কৰিছে?

(খ) 'মোমিন'ৰ অৰ্থ কি?

৯। অতি চমুকৈ লিখা : *(যিকোনো দুটা)* ১×২=২

(ক) দেৱকান্ত বৰুৱাই কোনগৰাকী ইংৰাজ কবিৰদৰে নাটকীয় ভংগীত কবিতা লিখিছিল?

(খ) 'দৃশ্যান্তৰ' কবিতাত কবিয়ে কিমান বছৰৰ পাছত মানুহজনক লগ পোৱা বুলি উল্লেখ কৰিছিল?

(গ) পলাশী যুদ্ধ কিমান চনত হৈছিল?

১০। তলৰ *যিকোনো এটাৰ* বিষয়ে চমু টোকা লিখা : ২

(ক) আজান ফকিৰ

(খ) ব্ৰজাবলী ভাষা

১১। চমুকৈ উত্তৰ লিখা : ৩×২=৬

(ক) *(i)* বৰগীতৰ *তিনিটা* লক্ষণ উল্লেখ কৰা।

*নাইবা*

*(ii)* বহাগীৰ বিয়া উপলক্ষে প্ৰকৃতিৰ কি কি পৰিৱৰ্তন হৈছে লিখা।

(খ) *(i)* "বাৰে বাৰে সাজিছে কাৱেং বিশ্ব সভ্যতাৰ"

— কবিতাংশৰ জৰিয়তে কবিয়ে বিশ্বসভ্যতাৰ কাৱেং সজা বুলি কিহক বুজাইছে লিখা।

*নাইবা*

*(ii)* সাতমহলীয়া ঘৰৰ বাহিৰত বৈ থকা মানুহজনে কবিৰ স'তে কি কি কথা পাতিছিল তোমাৰ নিজৰ কথাৰে লিখা।

১২। প্ৰসংগ সংগতি দৰ্শাই তলৰ *যিকোনো এছোৱা* ব্যাখ্যা কৰা : ৪

(ক) পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত।

খোদা বছুল লুকাই আছে, মোমিনৰ আঁৰত।।

(খ) "স্বৰগ মৰত সকলো ঠাইতে

উঠিছে আনন্দৰ বোল,

সাজোন কাচোন ৰং ৰূপহত

গোটেই জগত ভোল।"

১৩। তলৰ *যিকোনো এটা* কবিতাৰ সাৰাংশ লিখা : ৫

(ক) মোৰ দেশ মানুহৰ দেশ

(খ) দৃশ্যান্তৰ

১৪। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ উত্তৰ কৰা : ২×৫=১০

(ক) তলত দিয়া *যিকোনো দুটাৰ* ব্যাস-বাক্য সহ সমাসৰ নাম লিখা।

ত্ৰিফলা, শূলপাণি, মহাপুৰুষ, সত্যাগ্ৰহ।

(খ) তলৰ *যিকোনো দুটা* শব্দৰ সন্ধি ভাঙা।

বিদ্যালয়, চন্দ্ৰোদয়, যদ্যপি, নমস্কাৰ

(গ) তলৰ মিশ্ৰবাক্যটো সৰল বাক্যলৈ পৰিবৰ্তন কৰা।

'যি সকলে ব্যাকৰণ মনপুতি পঢ়ে, তেঁওলোকে ভাষাটো ভালকৈ জানে।'

(ঘ) তলৰ *যিকোনো দুটা* শব্দৰ এটাকৈ সমাৰ্থক শব্দ লিখা।

আচমান, বিটপী, হাত, বতাহ

(ঙ) তলৰ *যিকোনো দুটাৰ* অৰ্থ প্ৰকাশ হোৱাকৈ একোটি বাক্য ৰচনা কৰা।

ৰমকজমক, উলহ-মালহ, ডলাৰ বগৰী, তলা-নলা।

(চ) তলৰ *যিকোনো দুটা* শব্দত কি প্ৰত্যয় লগ লাগিছে ভাঙি দেখুওৱা।

শয়ন, হীৰতী, বাপতীয়া, দয়ালু

(ছ) যথাস্থানত যতি চিহ্ন বহুওৱা।

দেউতাই বজাৰৰ পৰা প্ৰায়ে আম আপেল আনাৰস তিয়ঁহ কিনি আনে।

(জ) এটা শব্দত প্ৰকাশ কৰা : *(যি কোনো দুটা)*

*(i)* যি কণীৰ পৰা জন্মে

*(ii)* যি আগেয়ে হোৱা নাই

*(iii)* একে গুৰুৰ শিষ্য

*(iv)* যি উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰে

(ঝ) তলৰ *যি কোনো দুটা* শব্দৰ 'ণ' বা 'ষ' হোৱাৰ কাৰণ লিখা।

প্ৰতিষ্ঠা, বৰুণ, বৰ্ষ, তৃণ

১৫। ভাৱ সম্প্ৰসাৰণ কৰা : ৪

(ক) পঢ়াই, পঢ়ে, ৰোৱে পান।

এই তিনিয়ে নিচিন্তে আন।।

*নাইবা*

(খ) তুমি পঢ়ি অহা প্ৰাথমিক বিদ্যালয়খনৰ সোণালী জয়ন্তী উৎসৱৰ মুকলি সভা। এই সভাত উপস্থিত থাকিবলৈ ৪ৰ্থ পিৰিয়ডৰ পিছত ছুটী বিচাৰি বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষকলৈ এখনি আবেদন লিখা। (আবেদনত তোমাৰ নাম, ঠিকনা নিলিখিবা)

নাইবা

(গ) তোমাৰ অঞ্চলৰ খোৱা পানীৰ অভাৱৰ কথা জনাই এখন স্থানীয় বাতৰি কাকতৰ বাবে এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

১৬। তলত দিয়া *যিকোনো এটা* বিষয়ৰ ওপৰত এখনি ৰচনা লিখা : ৮

(ক) তোমাৰ প্ৰিয় গ্ৰন্থখন

(আৰম্ভণি – গ্ৰন্থখনৰ পৰিচয় – প্ৰিয় হোৱাৰ কাৰণ – সামৰণি)

(খ) অসমৰ প্ৰাকৃতিক সম্পদ

(আৰম্ভণি – প্ৰাকৃতিক সম্পদৰ বিভিন্ন প্ৰকাৰ – সম্পদবোৰৰ ব্যৱহাৰ – সামৰণি)

(গ) শিক্ষা আৰু মূল্যবোধ

(আৰম্ভণি – প্ৰাচীন শিক্ষা আৰু মূল্যবোধ – বৰ্ত্তমান শিক্ষা আৰু মূল্যবোধ – সামৰণি)

১৭। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখা : ২×২=৪

(ক) 'মা সৌৰভ মানে কি?' মাকে সৌৰভ সম্পৰ্কে প্ৰেৰণাক কেনেদৰে বুজাইছিল?

(খ) প্ৰেৰণাৰ গানৰ ছাৰে প্ৰেৰণাক কি দৰে আশীৰ্ব্বাদ কৰিছিল?

(গ) চতুৰ্থ পিৰিয়ড চলি থাকোঁতে স্কুলৰ বৰবাইদেৱে প্ৰেৰণাক কমনৰুমলৈ মাতি নি কি কৈছিল?

১৮। চমু টোকা লিখা : *(যিকোনো দুটা)* ২×২=৪

(ক) জীনা বৰুৱা

(খ) সৌৰভ

(গ) জিলমিল

## Group – B (খ - বিভাগ)

মূল্যাংক : ২৫

১৯। অতি চমুকৈ উত্তৰ লিখা : *(যিকোনো দুটা)* ১×২=২

(ক) 'স্বৰ্গদেৱ প্ৰতাপসিংহ' পাঠটো কোনখন বুৰঞ্জীৰ পৰা লোৱা হৈছে?

(খ) ভট্টদেৱৰ সম্পূৰ্ণ নামটো কি?

(গ) কাৰ সৈতে নগা ৰণত সোন্দৰ গোহাঁইৰ মৃত্যু হৈছিল?

২০। চমু উত্তৰ লিখা : *(যিকোনো তিনিটা)* ২×৩=৬

(ক) বুৰঞ্জী অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ অন্তৰত কি কি ভাব জগাই তুলিব পাৰে?

(খ) 'মোমাই তামুলীৰ প্ৰজা সংগঠন'ৰ কথাখিনি তোমাৰ নিজৰ ভাষাত চমুকৈ লিখা।

(গ) '— এই ছয় দোষত আততায়ী' — কৌৰৱসকল কি কি ছয় দোষত আততায়ী হৈছিল?

(ঘ) অৰ্জুনে শ্ৰীকৃষ্ণক উভয় সেনাৰ মাজত ৰথ ৰাখিবলৈ কিয় কৈছিল?

২১। অতি চমু উত্তৰ লিখা : *(যিকোনো দুটা)* ১×২=২

(ক) অংকীয়া নাটকত মুক্তিমঙ্গল ভটিমা কোনে পাঠ কৰে?

(খ) কপিল মুনিৰ মাতৃ কোন আছিল?

(গ) কি ৰূপ ধাৰণ কৰি কৃষ্ণই বলিক ছলনা কৰিছিল?

২২। চমু উত্তৰ লিখা : *(যিকোনো দুটা)* ৩×২=৬

(ক) "সোহি জগত গুৰু তেৰি সততে কৰু

মুকুতি মঙ্গল বিধান।"

— ইয়াত উল্লিখিত জগত গুৰুজনাৰ গুণানুকীৰ্তন ভটিমাটিত কেনেদৰে কৰা হৈছে লিখা।

(খ) "আন কাল যদি দোষ দেখা মোৰ

পাৰিবাহা মোক গালি।"

— কোনে, কাক উদ্দেশ্য কৰি এইদৰে কৈছে বুজাই লিখা।

(গ) মাকৰ কি গুণৰ কথা ক'বলৈ শিশু কৃষ্ণৰ লাজ লাগে বুলি কৈছিল? কথাখিনি তোমাৰ নিজৰ কথাৰে লিখা।

২৩। তলত দিয়া শব্দবোৰৰ আধুনিক ৰূপ লিখা : *(যিকোনো দুটা)* ১×২=২

পাতক, যাকেৰি, বিগুটীয়া

২৪। তলৰ বাক্যটি শুদ্ধকৈ লিখা :-

মই তোমাক ৰখি থাকিম।

২৫। উপসৰ্গ আৰু অনুসৰ্গৰ *একোটাকৈ* উদাহৰণ দিয়া।

২৬। সমাৰ্থক শব্দ লিখা :

জুই; নিপুণ

২৭। তলৰ *যিকোনো দুটাৰ* টোকা লিখা : ২×২=৪

(ক) পয়াৰ

(খ) পৰ্ব

(গ) ঝুমুৰা

(ঘ) যতি

(ঙ) ছবি

## Group – C

1. Translate ***any two*** of the following to your mother language : 4×2=8

তলৰ *যিকোনো দুটা* তোমাৰ মাতৃভাষালৈ অনুবাদ কৰাঁ :

*(a)* अथ संध्यायां यदा लाचितः मातुल-कार्यं द्रष्टुम् आयाति स्म, तदा सः अपश्यत् यत् निर्माण-कार्यस्य अर्धम् अपि न सम्पादितम् आसीत्।

*(b)* गदापाणिः पतिव्रतायाः भार्यायाः जयमत्याः अनुरोधात् नगाचलम् आरोहत्। तत्र सः आत्मानं गोपायन् सनिर्वेदं प्राणान् अरक्षत्।

*(c)* श्येनः अब्रवीत्–राजन्। सफल-मनोरथ-दाता किल श्रेयसे, अथ मे भक्ष्यम् एनं दातुम् अर्हसि, प्राण-संशयम् आपन्नः अस्मि इति।

2. Answer ***any one*** of the following : 2

তলৰ *যিকোনো এটাৰ* উত্তৰ লিখাঁ ঃ

*(a)* What are the *six* vices a man should avoid ?

মানুহে পৰিহাৰ কৰিবলগীয়া *ছয়টা* দোষ কি কি?

*(b)* What are the *six* causes of happiness on Earth according to 'हितोपदेशः'?

'हितोपदेशः'-ৰ মতে পৃথিৱীত সুখৰ *ছয়টা* কাৰণ কি কি?

3. Answer ***any one*** of the following questions : 2

তলৰ প্ৰশ্নবোৰৰ *যিকোনো এটাৰ* উত্তৰ লিখাঁ :

(a) "देव ! नाहमपराद्धः,"

Who is the speaker here ? Who is addressed 'देव' here ?

ইয়াত বক্তা কোন? ইয়াত 'देव' বুলি কাক সম্বোধন কৰা হৈছে?

(b) "महावीर ! राजानं प्रति राजोचितव्यवहारः कार्यः"

Who is the speaker here ? Whom did the speaker say this ?

ইয়াত বক্তা কোন? বক্তাই কাক এই কথা কৈছিল?

(c) "राजन् ! मुञ्च मुञ्च क्षुधातुरस्य मे भक्ष्यं समर्पयस्व इति"

Who was 'क्षुधातुर'? What was the 'भक्ष्य'?

'क्षुधातुर' কোন আছিল? 'भक्ष्य' কি আছিল?

4. Fill in the blanks in the following verse with appropriate words : 3

উপযুক্ত শব্দৰে তলৰ শ্লোকফাঁকিৰ খালী ঠাই পূৰণ কৰাঁ ঃ

_______ यदि भानुः _______ दिग्विभागे।

प्रचलति यदि _______ शीततां याति वह्निः ॥

Or / অথবা

_______ कर्मः च वित्तञ्च विद्या _______ च।

पञ्चैतान्यपि सृज्यन्ते गर्भस्थस्यैव _______ ॥

5. (a) Derive **any two** of the following words : 1½×2=3

তলৰ *যি কোনো দুটা* পদৰ ব্যুৎপত্তি লিখাঁ ঃ

(i) द्रष्टुम् in Q. No. 1(a)

1 নং (a) প্ৰশ্নত।

(ii) अरक्षत् in Q. No. 1(b)

1 নং (b) প্ৰশ্নত।

(iii) अब्रवीत् in Q. No. 1(c)

1 নং (c) প্ৰশ্নত।

(iv) अर्हसि in Q. No. 1(c)

1 নং (c) প্ৰশ্নত।

(b) Decline **any two** of the following : 1×2=2

তলৰ *যিকোনো দুটাৰ* শব্দৰূপ লিখাঁ :

(i) सखि in 2nd case-ending singular.

সখি দ্বিতীয়া বিভক্তিৰ একবচনত।

(ii) मति in 7th case-ending plural.

মতি সপ্তমী বিভক্তিৰ বহুবচনত।

(iii) मित्र in 1st case-ending plural

মিত্ৰ প্ৰথমা বিভক্তিৰ বহুবচনত।

(iv) युष्मद् in 5th case-ending singular

যুষ্মদ্ পঞ্চমী বিভক্তিৰ একবচনত।

(c) Conjugate **any two** of the following : 1×2=2

তলৰ *যিকোনো দুটাৰ* ধাতুৰূপ লিখাঁ :

(i) √भू + लोट् हि।

(ii) √हन् + लट् मि।

(iii) √दा + लृट् स्यति (परस्मैपद)।

(iv) √जि + लङ् द्।

(d) Frame adjectives from **any two** of the following nouns : 1½×2=3

তলৰ *যি কোনো দুটা* বিশেষ্যৰ পৰা বিশেষণ পদ গঠন কৰাঁ :

निशा ; ऋषि ; ग्राम ; अग्नि।

———×———